Help in Assamese

AKB (Typing Cum Converter) ছফ্টৱেৰটো install কৰিবলৈ AKB_Typing_ProV1 নামৰ setup file-টোত দুবাৰ ক্লিক কৰক আৰু সকলো ইতিবাচকভাৱে অনুসৰণ কৰক। Installation-ৰ পিছত আপুনি আপোনাৰ ডেস্কটপত ইয়াৰ আইকনটো দেখিব । অসমীয়া টাইপ কৰিবলৈ প্ৰথমে আপুনি ইয়াক খোলক আৰু toolbar-ত language আৰু কীব'ৰ্ড (Assamese Inscript/Assamese phonetic ইত্যাদি) বাছনি কৰক।

যদি আপুনি toolbar-ত থকা checkBox (Help বুটামৰ কাষত) check কৰে, তেন্তে আপুনি টাইপিং কৰোঁতে predictive শব্দৰ তালিকা দেখিব। এইটো এটা অতিৰিক্ত সংযোজন যদিও ই কিছুমান মেচিনত সঠিকভাৱে কাম নকৰে (টাইপ কৰোঁতে শব্দটোৰ প্ৰথম আখৰটো দুবাৰ দেখুৱায়। গতিকে আমি ইয়াক ব্যৱহাৰ কৰিবলৈ পৰামৰ্শ নিদিওঁ যদি আপোনাৰ মেচিনে এই সংযোজনটো সমৰ্থন নকৰে।

যদি আপোনাৰ মেচিনে এই Feature-টো সমৰ্থন কৰে, তেতিয়াও পৰামৰ্শ দিওঁ যে যদিহে আপুনি লিখিব খোজা শব্দটো predictive শব্দৰ তালিকাত দেখিছে, সম্পূৰ্ণ শব্দটো টাইপ কৰাৰ পৰিৱৰ্তে তাক নিৰ্বাচন কৰক।

Converter কেনেকৈ ব্যৱহাৰ কৰিব?

toolbar-ত থকা Question চিনটোত ক্লিক কৰক। আপুনি Converter দেখিব। তাত ক্লিক কৰক। তাৰ এখন নতুন Window খোল খাব আৰু তাত আপোনাৰ Source Encoding বাছনি কৰক, তাৰ পিছত textখিনি paste কৰক। মাজৰ Arrow চিহ্নটো টিপক।

যদি আপুনি Unicdoeৰ পৰা Geetanjali ফণ্টলৈ text সলনি কৰিছে, তেন্তে আপুনি converted text (আপুনি সেইবোৰক junk character হিচাপে দেখিব, কিন্তু চিন্তা নকৰিব) Pagemaker-ত পেষ্ট কৰিব লাগিব (গতিকে আপোনাৰ machine-ত Pagemakerটো ইনষ্টল থাকিব লাগিব)।

Auto Font আৰু Perfect Conversion কি?

যেতিয়া আপুনি Auto Font বিকল্পটো বাছনি কৰে তেতিয়া converted text-খিনিত (Pagemaker-ত পেষ্ট কৰা) আখৰ, সংখ্যা (অসমীয়া/ইংৰাজী দুয়োটা), ইংৰাজী আখৰ, চিহ্ন আদি উৎস text-খিনিত যেনেকৈ আছিল তেনেই দেখা পাব। অৰ্থাৎ আপুনি manually font সলাব নালাগে। কিন্তু এই option-টোত কিছুমান যুক্তাক্ষৰ বিকৃত হয় (স্ব, ন্ধু, স্ব, ক্স)। কিন্তু যেতিয়া আপুনি mixed text (অসমীয়া, ইংৰাজী, সংখ্যা, symbol আদি থকা) convert কৰিব, তেতিয়া এইটোৱে বহুত সহায় কৰে। মাত্ৰ সেই যুক্তাক্ষৰকেইটা এবাৰ চাই দিব লাগিব। যদি আপুনি এনে এটা বিকৃত যুক্তাক্ষৰৰ শব্দ পায়, তেন্তে মূল উৎসৰ পৰা সেইটো পুনৰ কপি কৰি আনটো বিকল্প (Perfect Conversion) ব্যৱহাৰ কৰি convert কৰক আৰু পুনৰ paste কৰক। সমস্যা সমাধান।

যেতিয়া আপুনি Perfect Conversion নিৰ্বাচন কৰে, converted textখিনি Pagemaker-ত paste কৰাৰ পিছত আখৰবোৰ Geetanjalilight লৈ আৰু অসমীয়া সংখ্যা হ'লে Geetanjalip/Geetanjaliplight লৈ, আৰু ইংৰাজী হ'লে যিকোনো ইংৰাজী ফন্টলৈ সলনি কৰিব লাগিব।

যেতিয়া আপোনাৰ textখিনি বিশুদ্ধ অসমীয়া আখৰ হয়, (সংখ্যা আৰু ইংৰাজীৰ মিশ্ৰণ নহয়), তেতিয়া এইটোৱে বিকল্পই অধিক সহায় কৰিব। বিপৰীতে mixed textৰ ক্ষেত্ৰত Auto Font বিকল্পই অধিক সহায় কৰিব।

অধিক সহায়ৰ বাবে WhatsApp বা ফোন কৰক: 7002030550